ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

सत्यमेव जयते

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam

দিছপুৰ
২১-০৫-২০২১

# শুভেচ্ছাবাণী

সমগ্ৰ শিক্ষা, কামৰূপ আৰু জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ, মিৰ্জাৰ যৌথ উদ্যোগত জিলা শৈক্ষিক অন্তঃকৰণ গোটৰ দ্বাৰা 'গুৰুবাৰ্তা' শীৰ্ষক এখন অনলাইন আলোচনী প্ৰকাশৰ উদ্যোগ লোৱাটো নিতান্তই প্ৰশংসনীয়।

উপযুক্ত মানৱ সম্পদ সৃষ্টিত শিক্ষাৰ ভূমিকা অপৰিসীম। শিক্ষাই মানুহৰ চেতন আৰু মনন জগতক শৃংখলাবদ্ধ কৰি নিত্য নতুন বিষয় আহৰণ কৰাৰ সুযোগ প্ৰদান কৰি আহিছে। শিক্ষাই দিয়া আলোকৰ বাটেৰে মানুহে আগুৱাই আহি আজি একবিংশ শতিকাত পদাৰ্পণ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ এই যুগত উপযুক্ত শিক্ষা প্ৰদানেৰে একো একোগৰাকী শক্তিশালী ব্যক্তিত্বসম্পন্ন মানৱ গঢ়ি তোলাটো সময়ৰ আহ্বান হৈ পৰিছে। শিক্ষাৰ আমূল সংস্কাৰ আৰু আধুনিক যুগৰ উপযোগীকৈ শিক্ষা ব্যৱস্থাটো গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰেও নিৰলস প্ৰয়াসত ব্ৰতী হৈছে। ক'ভিড-১৯ সৃষ্ট সংকটে শিক্ষা ব্যৱস্থাৰ ওপৰত প্ৰভাৱ পেলালেও অনলাইন শিক্ষা প্ৰদানৰ ব্যৱস্থাই এক ৰূপান্তৰমুখী চেতনা জাগ্ৰত কৰি তুলিছে। এনে পৰিপ্ৰেক্ষিতত জিলা শৈক্ষিক অন্তঃকৰণ গোটৰ দ্বাৰা প্ৰকাশ পাবলগীয়া গুৰুবাৰ্তা শীৰ্ষক অনলাইন শৈক্ষিক আলোচনীখনে শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব বুলি মই আশা কৰিলোঁ।

মই আলোচনীখনৰ সকলো প্ৰকাৰৰ সফলতা আন্তৰিকতাৰে কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)